ISSN:2319-8893
RNP/GH-165/2021-2023

উনবিংশ বছৰ, অষ্টম সংখ্যা, মাৰ্চ ২০২৪

# সাতসৰী

₹ ৪০.০০




## কুমাৰ কিশোৰ ঃ সৃষ্টি আৰু স্মৃতি

সাতসৰী

উনবিংশ বছৰ, অষ্টম সংখ্যা • মাৰ্চ, ২০২৪

SATSARI

Vol. No.: 19, Issue No. 08 • March, 2024 • Pages : 112

Reg. No. : ASSASS/2011/35776

ISSN: 2319-8893 • Rs.40.00

## কুমাৰ কিশোৰ ঃ সৃষ্টি আৰু স্ৰষ্টা



নগেন শইকীয়া • শ্ৰদ্ধাৰ্ঘ্য কুমাৰ কিশোৰলৈ • ১৫
ৰীতা চৌধুৰী • মোক লিখিবলৈ শিকোৱা নমস্যসকলৰ এজন— কুমাৰ কিশোৰ • ১৭
ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী • কুমাৰ কিশোৰ ঃ সাহিত্য বিচাৰৰ 'ভিক্টিম' • ২০
ড° অৰবিন্দ ৰাজখোৱা • কিংকিণীৰ কলংক ঃ প্ৰেম আৰু অপ্ৰাপ্তিৰ কথকতা • ২৩
ড° প্ৰাপ্তি ঠাকুৰ • কল্পবিজ্ঞানৰ দৃষ্টিৰে কুমাব কিশোৰৰ 'হিমানী হিল্লোল' • ২৮
ড° বৃষ্টি কলিতা • কুমাৰ কিশোৰৰ উপন্যাস ঃ মনস্তাত্ত্বিক আৰু যৌনচেতনাৰ অতুল্য নিৰ্মিতি • ৩২
ডাঃ নোমল চন্দ্ৰ বৰা • কুমাৰ কিশোৰ খুৰাৰ সান্নিধ্যত • ৩৬
ড° জয়শ্ৰী বৰা • ৰসৰ ৰহঘৰা আছিল খুৰা • ৩৮
পূৰবী বৰা • কলংকৰ জন্ম আছে, মৃত্যু নাই • ৪০
বেদান্ত কুমাৰ শৰ্মা • ৰঙা ঠিকনাৰ শেষ যাত্ৰা • ৪৩
ড° বীণা নাথ • কুমাৰ কিশোৰৰ উপন্যাসত মনস্তত্ত্ব • ৪৪
ডাঃ প্ৰণৱ কুমাৰ শৰ্মা • জুই, ধোঁৱা আৰু ছাই • ৪৭

### প্ৰ ব ন্ধ নি ব ন্ধ

দিগন্ত ওজা • ট্ৰিবিউনৰ বিৰুদ্ধে নিষেধাজ্ঞা, 'দৈনিক বাতৰি'ৰে যুঁজ • ৫৪
হৰ্ষবৰ্দ্ধন, ড° অলংকাৰ কৌশিক • ১৯৫০ চনৰ অসমৰ বৰভূঁইকঁপৰ কাহিনী • ৬৩
প্ৰাঞ্জল তালুকদাৰ • দিলীপ ফুকনৰ কবিতা ঃ ঐতিহ্য আৰু আধুনিকতা • ৬৯

### গ ল্প

বিপাশা খেৰকাটাৰী • অপ্ৰতিহত • ৭৩
ড° পল্লৱী গোস্বামী • গ্লাছ চিলিং • ৭৬


### অনূদিত গ ল্প

মূল ঃ ৰোৱাল্ড ডাল, অনুবাদ ঃ পংকজ কুমাৰ নেওগ • দ্য হিচ্-হাইকাৰ • ৮১

### বৰ্ণালী

ভাগ্যশ্ৰী গগৈ • খোপাত গোঁজা নাহৰ, তগৰ... • ৪৯





# কল্পবিজ্ঞানৰ দৃষ্টিৰে কুমাৰ কিশোৰৰ 'হিমানী হিল্লোল'

ড° প্ৰাপ্তি ঠাকুৰ

কুমাৰ কিশোৰৰ *হিমানী হিল্লোল* উপন্যাসখন ৰচনাৰ সময় সত্তৰ দশকৰ প্ৰথমাৰ্ধ। বিংশ শতিকাৰ যি সময়ত অসম তথা ভাৰতবৰ্ষতে সাধাৰণজনৰ মাজত কৰ্কট ৰোগ সম্বন্ধীয় বিশেষ সজাগতাৰ সৃষ্টি বা আলোচনা হোৱা নাছিল; চিকিৎসাবিজ্ঞানেও গৱেষণা ক্ষেত্ৰখনত বৰ বিশেষ আগবাঢ়িব পৰা নাছিল; সেই সময়তে কুমাৰ কিশোৰে ৰচনা কৰিছিল কেন্সাৰ প্ৰতিৰোধক গৱেষণাৰ কাহিনীসম্বলিত উপন্যাস *হিমানী হিল্লোল*। এই কথা ভাবিলে এতিয়া আচৰিত লাগে! সুকীয়া সুকীয়া বিষয়বস্তু উপস্থাপনেৰে অসমীয়া সাহিত্যত কুমাৰ কিশোৰে এক পৰিৱৰ্তনকামী চেতনা জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল। তেখেতৰ প্ৰায়বোৰ উপন্যাসৰ বিষয়বস্তু আছিল অগতানুগতিক। ত্ৰিশতকৈয়ো অধিক উপন্যাস লিখি একপ্ৰকাৰ অভিলেখ ৰচা এইজন সাহিত্যিকৰ জনপ্ৰিয়তা আছিল অপৰিসীম, চামে চামে পঢ়ুৱৈ তেওঁ সৃষ্টি কৰিব পাৰিছিল যদিও আমাৰ সাহিত্যৰ মূলসুঁতিৰ পৰা যেন তেওঁ কিছু দূৰতে বৈ গ'ল। ভিন্ন স্বাদৰ পৰ্যাপ্ত উপন্যাস ৰচনা কৰাৰ পিছতো অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত এইজন সাহিত্যিক উপেক্ষিত হৈ থাকিল। কুমাৰ কিশোৰৰ সাহিত্যৰাজিক লৈ খুব সম্ভৱ আজিলৈকে তেনে কোনো বিশেষ আলোচনা-গৱেষণা বা চৰ্চা হোৱা নাই।

১৯৭৫ চনত প্ৰকাশিত *হিমানী হিল্লোল* উপন্যাসখনত 'বাটৰ জেং' নামকৰণেৰে লিখা পাতনিত কুমাৰ কিশোৰে লিখিছে— 'পঢ়াৰ যি আনন্দ 'হিমানী হিল্লোলে' পাঠকসকলৰ মনলৈ আনন্দৰ সেই হিল্লোল আনিব নোৱাৰে— জানো। তথাপি 'আজিকালি নিলিখে কিয় (?)' বুলি মৰমৰ দাবীৰে কৈফিয়ৎ বিচৰাসকলৰ কাৰণেই *হিমানী হিল্লোলৰ* জন্ম। বিষয় বাছনিৰ ক্ষেত্ৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীমান প্ৰণৱে মোক সহায় কৰি আহিছে।" এইখন উপন্যাসৰ বিষয়বস্তু চিকিৎসাবিজ্ঞান-আধাৰিত। স্বাভাৱিকতেই ঔপন্যাসিকৰ ডাক্তৰী পঢ়ি থকা পুত্ৰৰ সহযোগে কাহিনী নিৰ্মাণত সহায় কৰিছে। উপন্যাসখন লেখকৰ শেষৰ সময়ৰ ৰচনা। কুমাৰ কিশোৰো আক্ৰান্ত হৈছিল কৰ্কট ৰোগত। তেখেতৰ মৃত্যুৰ দহ বছৰৰ পাছত *হিমানী হিল্লোলৰ* দ্বিতীয় সংস্কৰণ প্ৰকাশ হৈছিল ১৯৯৫ চনত আৰু তেতিয়া তাৰ পাতনিত পুত্ৰ ডাঃ প্ৰণৱ কুমাৰ শৰ্মাই বোম্বাইৰ 'টাটা মেম'ৰিয়েল কৰ্কট গৱেষণা কেন্দ্ৰ'ৰ কথা উল্লেখ কৰিছিল— স্তব্ধ হৈ যোৱা জীৱনক গতি দিয়াৰ প্ৰচেষ্টাত ৰৈ থকা

এই বৃহৎ গৱেষণাগাৰটো যেন মহাজীৱনৰ মহাসমৰৰ সমৰথলী। ঘৰটোৰ ভিতৰত বহুতো মানুহৰ বুকুৰ অশৃংখল ধপ্‌ধপনি — বাহিৰত সাগৰৰ হাহাকাৰ। আৰু এই সাগৰৰ পৰা বহু দূৰত নীৰৱে থিয় হৈ আছে প্ৰশান্ত হিমালয়। যাৰ বুকুতে আছে কেন্সাৰক পৰাভূত কৰিব পৰা সেই মৃত্যুঞ্জয়ী উদ্ভিদ! সেই বনৌষধিৰ সন্ধান আৰু তাৰ বিষয়ে হোৱা গৱেষণাক কেন্দ্ৰ কৰিয়েই আৱৰ্তিত হৈছে *হিমানী হিল্লোল*ৰ কাহিনীভাগ।

কুমাৰ কিশোৰৰ লেখাত সদায়েই এক অনুসন্ধিৎসা, এক ৰহস্যধৰ্মিতাই ক্ৰিয়া কৰে। উপন্যাসৰ কাহিনীভাগ আৰম্ভ হৈছে ফ্লেশ্বেক পদ্ধতিৰে। অসমৰ পৰা হিমালয়লৈ যোৱা পৰ্বতাৰোহণকাৰী দল এটাৰ সদস্য এজনৰ হাতত ঘটনাক্ৰমে উদ্ধাৰ হৈছে ড° ৰণ্টজেন চাহাবৰ কৰ্কট প্ৰতিৰোধী মেডিচিনৰ সবিশেষ। দলটোক সহায় কৰা অত্যন্ত বিশ্বাসী আৰু বিচক্ষণ মালবাহক আংটেম্বাই বেডিঅ' বুলি ফিলিপছ টেপ-ৰেকৰ্ডাৰ এটা সেই সদস্যজনক বিক্ৰী কৰিবলৈ আনিছিল। সেইটোৰেই আছিল ড° ৰণ্টজেনৰ টেপ-ৰেকৰ্ডাৰ; য'ত দহটা কেছেটত গৱেষণাৰ বিষয়ে তেওঁ সমস্তখিনি বাণীবদ্ধ কৰি থৈ গৈছিল; যাতে তেওঁৰ মৃত্যুৰ পাছত এই গৱেষণাৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ হয়। কেছেটটো চলাওঁতেই সুন্দৰ স্পষ্ট গলগলীয়া মাতৰ শুদ্ধ ইংৰাজীত ভাহি আহিল— "বিশ্ব মানৱৰ দোহাই, সমগ্ৰ মানৱজাতিৰ শাওপাত মূৰ পাতি নল'ব। বহুল প্ৰচাৰৰ খৰতকীয়া ব্যৱস্থা কৰক। নহ'লে বিশ্বমানৱৰ অভিসম্পাত আপোনাৰ মূৰত পৰিব। যিকোনো মুহূৰ্ত্ততে মই পৃথিৱীৰ বুকুৰ পৰা হেৰাই যাব পাৰোঁ। কিন্তু আমাৰ অতদিনৰ সাধনা-পৰিশ্ৰম অথলে যোৱাটো মই বাঞ্ছা নকৰোঁ। মোৰ যদি সঁচাকৈয়ে মৃত্যু হয় তেন্তে বিশ্বমানৱক উপকৃত কৰাৰ দায়িত্ব আপোনাৰ। নহ'লে আমাৰ যুটীয়া সাধনাৰ পৰা উপকৃত হ'ব বুলি ধাৰণা কৰা আৱিষ্কাৰৰ পৰা বিশ্বমানৱ চিৰদিনলৈ বঞ্চিত হৈ ৰ'ব— ৰণ্টজেন।"

কৰ্কট-প্ৰতিৰোধী ঔষধ আৱিষ্কাৰৰ সেই যুটীয়া গৱেষণা আছিল ড° আৰ্ভিন জন কক আৰু ড° ৰণ্টজেনৰ। কেইবাবছৰযোৱা অক্লান্ত গৱেষণা আৰু হাড়ভঙা পৰিশ্ৰমৰ অন্তত তেওঁলোক অৱগত হৈছিল অসমৰ খাচি পাহাৰত থকা এবিধ বিশেষ হালধীয়া ফুলৰ বিষয়ে। যি ফুলৰ গুটিৰ তেলেৰে কৰ্কট ৰোগক প্ৰতিহত কৰিব পৰা যায়। যাক জনজাতীয় লোকসকলে 'সৰ্পশিলা' (Snakerock) বুলি জানে। ড° আৰ্ভিন আৰু ড° ৰণ্টজেনৰ সহযোগী হিচাপে আছিল খাচি যুৱতী ৰোজলিন বা ৰোজী। বৃদ্ধ ড° আৰ্ভিন এদিন শ্বিলং নগৰী পৰিত্যাগ কৰি গুচি উভতি গ'ল নিজৰ ঠাই কানাডালৈ— উচ্চ পৰ্যায়ৰ গৱেষণাৰ বাবে। ইয়াৰ পৰা তেওঁলৈ ৰোজী আৰু ৰণ্টজেনে নিয়মীয়াকৈ বিভিন্ন নমুনা পঠিয়াইছিল আৰু তেওঁ সেইবোৰৰ ৰিপ'ৰ্টসমূহ ৰণ্টজেনক জনাই থাকিছিল। এনেকৈয়ে অনুসন্ধান কৰি ঘূৰি ফুৰোঁতে এদিন ৰণ্টজেন আৰু ৰোজীয়ে সৰ্পশিলাৰ সন্ধান পালে; কিন্তু পাছৰ বাৰ পুনৰ সেই ফুল আনিবলৈ যাওঁতে দেখিলে যে সেইখিনি ঠাইত ফুলখিনি জ্বলাই দি নষ্ট কৰি তাত আফুখেতি আৰম্ভ কৰিছে তাৰ স্থানীয় মানুহখিনিয়ে— কিয়নো আফুখেতিত প্ৰচুৰ লাভ কৰিব পাৰি আৰু সেই শিলাময় পাহাৰৰ বুকুত কোনো আইন-প্ৰশাসনে তাৰ ভু নাপায়। গোপনীয়তাৰে সেই খেতি নিশ্চিন্তমনে কৰিব পৰা যায় তাত। ৰণ্টজেন আৰু ৰোজীৰ আকাশী সৰগ ভাগি পৰিল। সি যি হওক, হাতত থকা সমলখিনিৰেই তেওঁলোকে পৰীক্ষা-নিৰীক্ষা অব্যাহত ৰাখিলে। শহা, বান্দৰৰ দেহত এই ঔষধ প্ৰয়োগ কৰাৰ পাছত এইবাৰ ৰণ্টজেনক প্ৰয়োজন হ'ল মানৱ দেহৰ। ৰোজীয়ে বৃহত্তৰ মানৱৰ কল্যাণৰ স্বাৰ্থত নিজৰ দেহ দান কৰিবলৈ আগবাঢ়ি আহিল। ৰণ্টজেনে ৰোজীৰ এই মহানতা প্ৰত্যাখ্যান কৰি অন্য মানুহৰ অনুসন্ধান আৰম্ভ কৰে। সেয়া আছিল বাংলাদেশৰ জন্মৰ সময়। ভগনীয়া শিবিৰৰ পৰা ৰণ্টজেনে দালালৰ সহায়ত পাঁচগৰাকী কেন্সাৰত ভোগা নাৰী তেওঁলোকৰ শিবিৰ তথা গৱেষণাগাৰলৈ আনিবলৈ সক্ষম হ'ল। সৰ্বহাৰা সহস্ৰ জনতাৰ ভিতৰৰ এটা সৰু গোট— সুনীতি, সুনন্দা, জয়া, বাসন্তী আৰু কল্পনা। পূব পাকিস্তানত তেতিয়া ৰক্ত গংগাৰ জোৱাৰ উঠিছিল। সকলো হেৰুৱাই সিহঁতকেইজনীও পলাই আহিছিল— প্ৰাণৰ মমতাত, বৰ্বৰ অত্যাচাৰৰ অসহনীয় অমানুষিক তাড়নাত। ভাৰতবৰ্ষত দালালৰ অভাৱ নাই। ভগনীয়া শিবিৰৰ পৰা সুনীতিহঁতক ৰণ্টজেনে ঘৰলৈ লৈ আহিছিল দালালৰ জৰিয়তে। সুনীতিৰ কণ্ঠনলীৰ কেন্সাৰ, সুনন্দাৰ খাদ্যনলীত, জয়া আৰু বাসন্তীৰ জৰায়ুত আৰু কল্পনাৰ স্তনত। অৱশেষত সিহঁতৰ ওপৰতে পৰীক্ষা চলোৱা হ'ল। ব্যৱহাৰ কৰা দৰৱৰ তাৰতম্য চাবলৈ গোটেইকেইজনীকে গিনিপিগ সজোৱা হ'ল। বিশ্বৰ হাজাৰ হাজাৰ মানুহৰ কল্যাণৰ বাবে কেইজনমানে প্ৰাণ উৰ্ছগা কৰিবই লাগিব— এয়াই প্ৰকৃতিৰ অলিখিত নিয়ম। প্ৰথমতে সুনীতি আৰু সুনন্দাৰ মৃতদেহ কেইদিনমানৰ অন্তৰে অন্তৰে শ্বিলং নগৰীত পৰিত্যক্ত অৱস্থাত পোৱা গ'ল। পুলিচে ধৰিব নোৱাৰিলে হত্যাকাৰীক। তদন্ত অব্যাহত থাকিল। সুনীতি-সুনন্দাৰ পাছত জয়া, কল্পনা আৰু বাসন্তীক সুস্থ কৰি তোলা সত্ত্বেও নিৰাপত্তাৰ খাতিৰত অত্যধিক ঔষধ প্ৰয়োগ কৰি চিৰদিনলৈ আঁতৰাই পঠিওৱা হ'ল দেশ আৰু দহৰ স্বাৰ্থৰ বাবে— কিয়নো 'এইখন আমেৰিকা নহয়, অসম। ভাৰতৰ ভিতৰত পিছপৰা অঞ্চল। পাশ্চাত্য দেশবোৰৰ দৰে গৱেষকক ইয়াত কোনেও সহায় নকৰে। আৱিষ্কাৰৰ মৰ্যাদাৰে মোক মুক্তি নিদিয়ে। পৰীক্ষা কৰোঁতে মৃত্যু হোৱা সুনীতি-সুনন্দাৰ হত্যাকাৰী বুলি মৃত্যুদণ্ড বিহিব।' ইফালে ৰণ্টজেন-ৰোজীৰ সংগ্ৰহত থকা দৰৱ একেবাৰেই কমি আহিল। সৰ্পশিলা ফুলৰ গুটিৰ পৰা প্ৰস্তুত কৰা বিশুদ্ধ তেলৰ পৰাই আৱিষ্কৃত হ'ল কেন্সাৰৰ প্ৰতিষেধক। কিন্তু ইমান বেছি পৰিমাণৰ সৰ্পশিলা ক'ত পোৱা যাব? তেওঁলোকে অনুমান কৰিলে হিমালয়ৰ বুকুতে নিশ্চয় লুকাই আছে সেই অমূল্য সম্পদ, মৃত সঞ্জীৱনী সুধা। সেই সঞ্জীৱনীৰ সন্ধানত ৰণ্টজেনে হিমালয়লৈ যোৱাৰ সিদ্ধান্ত ল'লে।

জুলাই মাহৰ কোনো এটা দিনত তিনিমাহ সময় হাতত লৈ সৰ্পশিলাৰ সন্ধানত ৰণ্টজেন ঢাপলি মেলিলে হিমালয়লৈ। 'গাভৰু পত্নীৰ চকুলো আৰু হাজাৰ আকুতিকো আওকাণ কৰি আঁতৰি গৈছিল এজন গৱেষক, সদ্যবিবাহিত স্বামী। লগত এমুঠি সৰ্পশিলাৰ বীজ, এটা টেপ-ৰেকৰ্ডাৰ, কেইটামান কেছেট, দূৰবীণ, কেমেৰা, কেঁচা শিল্প, অভিযাত্ৰীৰ প্ৰয়োজনীয় সা-সৰঞ্জাম, সাজপাৰ আৰু এটা শকত ধনৰ টোপোলা।' ৰণ্টজেন নিশ্চিত আছিল যে হিমালয়ৰ 'ভেলী অৱ্ ফ্লাৱাৰ'ত সেই পৰম আকাংক্ষিত সম্পদ থাকিবই। ড্ৰাগ চেম্পোল, সৰ্পশিলাৰ বীজ অকণমান আৰু বাণীবদ্ধ কৰি থোৱা কেইটামান টে'প এৰি থৈ গ'লগৈ ৰণ্টজেন, যাতে উভতি আহিব নোৱাৰিলেও কোনোবাই সেই গৱেষণাৰ বিষয়ে জানিব পাৰে। আৰম্ভ হয় হিমালয়মুখী যাত্ৰা। এই যাত্ৰাত মটৰ পথৰ শেষ আড্ডা যোশীমঠ। তাৰ পাছত আৰম্ভ পদপথ। পাহাৰ-পৰ্বতৰ মাজে মাজে সংকীৰ্ণ পথ। ওখ-চাপৰ, একাবেঁকা, ওখোৰা-